**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-AUGUST-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

---

নেপালত কালি হোৱা আকস্মিক আৰু ভয়াৱহ বানৰ ফলত কমেও ১৬০ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৩৩ গৰাকী ভাৰতীয় নাগৰিককে ধৰি ৭৫০ জন সন্ধানহীন হৈ আছে। সন্ধানহীন হোৱা ভাৰতীয় সকলৰ ভিতৰত ৫০ গৰাকী কৈলাশ মানসৰোবৰ যাত্ৰাৰ তীৰ্থযাত্ৰী আছিল। তিববতত উৎপত্তি হোৱা এই প্ৰলয়ংকাৰী বানে নিমিষতে বহু গাঁও আৰু নগৰ বুৰাই পেলোৱাৰ লগতে পথ, দলং তথা জলবিদ্যুৎ প্ৰকল্প খহাই লৈ যায়। নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানালে দেশখনৰ সংসদত প্ৰকাশ কৰা মতে স্থানীয় সময় অনুসৰি কালি পুৱা ৮ বাজি ৩৭ মিনিটত তিববতত হোৱা ভূমিকম্পৰ ৩ মিনিট মানৰ পাছতে আকস্মিক বানে অঞ্চলটোত ভয়াৱহ অৱস্থাৰ সৃষ্টি কৰে। ভূমিকম্পৰ ফলত হিমবাহৰ বিস্ফোৰণ ঘটি বানৰ সৃষ্টি হোৱা বুলিও আশংকা কৰা হৈছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰা মতে নেপাল-তিববত সীমান্তৱৰ্তী লেনডে নদীত শিল খহি পৰি নদীখনৰ জলপৃষ্ঠ অভাৱনীয়ভাৱে বৃদ্ধি কৰাৰ বাবে ৰছুৱা জিলাৰ সীমান্তৱৰ্তী চহৰ টাইমূৰৰ ভোটে ক'চিৰ পৰা ত্ৰিশূলী নৈৰ পানী ভয়াৰহভাৱে বৃদ্ধি পায়। ইয়াৰ পাছতে ৰাজধানী কাঠমাণ্ডুৰ পৰা ২০০ কিলোমিটাৰ সামৰি নৈপৰীয়া নুৱাক'ট, চিতৱান, গোৰ্খা, তানাহু আৰু পূব নুৱালপাৰাচি অঞ্চল প্লাৱিত হৈ পৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহৰ সৈতে ফোনযোগে কথা পাতি এই দুৰ্যোগৰ পৰিস্থিতিত সম্ভৱপৰ সকলো সাহায্য আগবঢ়োৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিছে। শ্ৰীশ্বাহে প্ৰধানমন্ত্ৰীগৰাকীক এই সহায় আৰু আন্তৰিকতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে দেশখনলৈ সাহায্য হিচাপে ১০ টন সাহায্য সামগ্ৰী, অত্যাৱশ্যকীয় ঔষধ, অস্থায়ী আশ্ৰয়স্থলী, কম্বল, অনাময় সা-সঁজুলি আৰু সৌৰ চাকি প্ৰেৰণ কৰিছে।

সামাজিক মাধ্যমৰ বাৰ্তাযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে এই প্ৰত্যাহ্বানপূৰ্ণ সময়ত ভাৰত নেপালৰ সৈতে আছে। কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসে ভাৰতীয় নাগৰিকসকললৈ সাহায্য আৰু তথ্যৰ বাবে জৰুৰীকালীন নম্বৰ মুকলি কৰিছে।

বিশ্ববেংকে এই জৰুৰীকালীন পৰিস্থিতিত বিত্তীয় সাহায্য আৰু উদ্ধাৰ তথা পুনৰ নিৰ্মাণৰ বাবে ২৫ বিলিয়ন নেপালী টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে।

oooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অসমৰ বান বিধবস্ত এলেকাৰ পুনৰ উন্নয়ন, বান ক্ষতিগ্ৰস্ত প্ৰায় ৮০ হাজাৰ লোকক সহায় কৰাৰ বাবে এহেজাৰ কোটি টকাৰ সাহায্য বিচাৰি ৰাজ্য চৰকাৰে দাখিল কৰা প্ৰস্তাৱৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ আশ্বাস দিছে। দিল্লী ভৱনত কালি এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বান প্ৰভাৱিত লোকৰ পুনৰ সংস্থাপনৰ বাবে এহেজাৰ কোটি টকাৰ প্ৰয়োজন হ'ব। ডং শৰ্মাই কয়, যে বান ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপনৰ বাবে প্ৰয়োজনীয় পুঁজি গৃহ মন্ত্ৰালয়ে আৱণ্টন দিব আৰু গৃহমন্ত্ৰী অমিত শ্বাহে এই ধনৰাশি প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে হোৱা আলোচনাত বান বিধবস্ত পথৰ মেৰামতি আৰু বানৰ সময়ত মথাউৰি সদৃশ হৈ পৰা ৰাষ্ট্ৰীয় ঘাইপথৰ অংশসমূহত কালভাৰ্টৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা সাক্ষাতৰ সময়ত বান পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰাৰ লগতে অহা নৱেম্বৰত নতুন দিল্লীত

আয়োজন কৰিবলগীয়া বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জয়ন্তীৰ সামৰণি অনুষ্ঠানলৈ প্ৰধানমমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হৈছে বুলি প্ৰকাশ কৰে। একেদৰে কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে হোৱা আলোচনাত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অসমত চাৰি লাখ গৃহ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন দিয়া বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চাহ বাগিচাৰ শ্ৰমিকসকলৰ বাবে ২ লাখ অতিৰিক্ত গৃহ আৱণ্টনৰ প্ৰতিশ্ৰুতি দিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সৈতে হোৱা সাক্ষাৎ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই বৈঠকত কেইবাটাই বিত্তীয় সমস্যাক লৈ আলোচনা কৰা হয়। মেঘালয়ৰ শেহতীয়া ঘটনাক্ৰমক লৈ মন্তব্য কৰি ড০ শৰ্মাই কয় যে পেট্ৰিচিয়া মুখিমৰ দৰে বুদ্ধিজীৱিয়ে অসমৰ পৰ্যটকৰ বিৰুদ্ধে লিখা-মেলা কৰে যদিও ৰাজ্যখনৰ একাংশ লোকে অসমীয়াক ভাল পায়। তেওঁ লগতে পৰ্যটকৰ বাবে ডিফু, উমৰাংছ'ৰ দৰে পৰ্যটন ক্ষেত্ৰবোৰৰ অধিক বিকাশ কৰিব লাগিব বুলি মন্তব্য কৰে। ৰাজ্য চৰকাৰে ড্ৰাগছমুক্ত অসমৰ সংকল্প লৈছে বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে এইক্ষেত্ৰত গুৰুত্ব সহকাৰে কাম কৰি থকা হৈছে। তেওঁ কয়, যে এইক্ষেত্ৰত ভালেমান নতুন দিশ পোহৰলৈ আহিছে আৰু সেইসমূহৰ প্ৰতি লক্ষ্য ৰাখি এই অভিযান তীব্ৰতৰ কৰিবলৈ চৰকাৰে পণ লৈছে।

বাইট

০০০০০০

সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ পঞ্চদশ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ কালি পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক পোনাকন বৰুৱা আৰু মটক যুৱ ছাত্ৰ পৰিষদৰ সভাপতি উদয়শংকৰ মোহনে পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ দ্বাৰা একুৰি গছপুলি ৰোপণ কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ২০ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। তদুপৰি মটক জনগোষ্ঠী জনজাতিৰ সাংবিধানিক স্বীকৃতিয়ে দিব পৰা সুৰক্ষা আৰু উন্নয়ন শীৰ্ষক আলোচনা চক্ৰ, নিশাৰ ভাগত জুবিন গাৰ্গ সোঁৱৰণী সংগীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে মটক জনগোষ্ঠীৰ ঐতিহ্যমণ্ডিত গছতলৰ বিহু আৰু হুঁচৰি পৰিৱেশন কৰা হ'ব। মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**